# 2019

## ASSAMESE

Paper : ASM–RC/HG–1016

( অসমীয়া ভাষাৰ ইতিহাস )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) কোনবিধ সাহিত্যিক প্ৰাকৃতৰ পৰা অসমীয়া ভাষা উদ্ভৱ হৈছে ?

(খ) *Assamese : Its Formation and Development* গ্ৰন্থখন কাৰ ৰচনা ?

(গ) এজন চৰ্যা ৰচকৰ নাম লিখা।

(ঘ) কোনে মাধৱ কন্দলিক 'অপ্ৰমাদী' কবি ৰূপে স্বীকৃতি দিছিল ?

(ঙ) 'দশম'ত শংকৰদেৱে ভাগৱতৰ দশম স্কন্ধৰ কেইটা অধ্যায় অনুবাদ কৰিছিল ?

(চ) মধ্যযুগত ৰচিত যি কোনো এখন প্ৰকাশিত বুৰঞ্জীৰ নাম লিখা।

(ছ) 'বৰদোৱা-চৰিত' পুথিখন কোন শতাব্দীত ৰচিত?

(জ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা অসমীয়া অভিধানখনৰ নাম কি?

(ঝ) 'বুঢ়ী আইৰ সাধু' গ্ৰন্থখন কোন খ্ৰীষ্টাব্দত প্ৰথম প্ৰকাশ হৈছিল?

(ঞ) মাধৱ কন্দলিৰ ৰামায়ণত কেইটা কাণ্ড পোৱা যায়?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) কোনে, ক'ৰ পৰা চৰ্যাপদসমূহ উদ্ধাৰ কৰিছিল?

(খ) গদ্যত ৰচিত দুখন চৰিতপুথিৰ নাম লিখা।

(গ) কামৰূপী প্ৰাকৃত মানে কি?

(ঘ) 'বুৰঞ্জী' শব্দৰ অৰ্থ কি?

(ঙ) 'বুঢ়ী আইৰ সাধু' সংকলনখনত থকা যি কোনো দুটা সাধুকথাৰ নাম লিখা।

৩। তলৰ যি কোনো চাবিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অসমীয়া ভাষাৰ উদ্ভৱৰ বিষয়ে এটা টোকা লিখা।

(খ) চৰ্যাপদৰ ভাষাগত বৈশিষ্ট্য সামৰি চমুকৈ লিখা।

(গ) মন্ত্ৰপুথি সম্পৰ্কে এটি চমু টোকা প্ৰস্তুত কৰা।

(ঘ) অসমীয়া ভাষাৰ বৰ্ণবিন্যাসক নিৰ্দিষ্ট ৰূপ দিবৰ বাবে হেমচন্দ্ৰ বৰুৱাই কি ভূমিকা পালন কৰিছিল, লিখা।

(ঙ) অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত চৰিতপুথিসমূহৰ গুৰুত্ব কেনেধৰণৰ, বুজাই লিখা।

(চ) মাধৱ কন্দলি বা শংকৰদেৱৰ গ্ৰন্থক আধাৰ হিচাপে লৈ পুৰণি অসমীয়া কবিসকলে অনুবাদৰ ক্ষেত্ৰত কেনে ৰীতি গ্ৰহণ কৰিছিল, লিখা।

৪। (ক) অসমীয়া ভাষাৰ ইতিহাসক কি কি যুগত ভাগ কৰা হয়? প্ৰতিটো যুগৰ পৰিচয় দি অসমীয়া ভাষাৰ বিকাশৰ এটি ৰূপৰেখা দাঙি ধৰা। ১০

*নাইবা*

(খ) অসমীয়া ভাষাৰ উদ্ভৱ তথা বিকাশত তামৰ ফলি, চৰ্যাপদ আৰু বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্তন'ৰ গুৰুত্ব দেখুৱাই আলোচনা কৰা। ১০

৫। (ক) মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাগত বৈশিষ্ট্য উল্লেখ কৰি এটি আলোচনা যুগুত কৰা। ১০

*নাইবা*

(খ) শংকৰদেৱৰ 'দশম' গ্ৰন্থৰ ভাষাগত বিশ্লেষণ কৰি অসমীয়া ভাষাৰ বিকাশত শংকৰদেৱৰ ভূমিকা সম্পৰ্কে এটি মূল্যায়ন দাঙি ধৰা। ১০

৬। (ক) বুৰঞ্জীৰ ভাষাগত বৈশিষ্ট্য আলোচনা কৰি এটি টোকা লিখা। ১০

*নাইবা*

(খ) বুৰঞ্জী আৰু চৰিতপুথিৰ গদ্যৰ তুলনাত্মক বিচাৰ দাঙি ধৰা। ১০

৭। (ক) 'অচমিয়া লৰাৰ মিত্ৰ'ৰ আধাৰত আধুনিক অসমীয়া গদ্যলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান সম্পৰ্কে লিখা। ১০

*নাইবা*

(খ) 'বুঢ়ী আইৰ সাধু' সংকলনৰ যি কোনো এটা সাধুৰ আলমত কাহিনীকওঁতা হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ বৈশিষ্ট্যসমূহ দাঙি ধৰা। ১০

★★★

**2 0 1 9**

ASSAMESE

( Honours )

Paper : ASM–HC–1026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) আহোম ৰজা প্ৰতাপ সিংহই কোনজন ৰজাক আশ্ৰিত ৰজা হিচাপে ধৰ্মনাৰায়ণ নাম দিছিল ?

(খ) ভট্টদেৱে 'নামঘোষা'ৰ আদৰ্শত কোনখন গ্ৰন্থ ৰচনা কৰিছিল ?

(গ) গদ্যত ৰচিত এখন চৰিতপুথিৰ নাম লিখা।

(ঘ) কোনগৰাকী আহোম স্বৰ্গদেৱে সত্ৰানুষ্ঠানবোৰ ভঙাত উঠি পৰি লাগিছিল ?

(ঙ) 'বেলিমাৰৰ বুৰঞ্জী'ৰ ৰচক কোন ?

(চ) কোনগৰাকী আহোম ৰজাৰ দিনত মোৱামৰীয়া বিদ্ৰোহ সংঘটিত হৈছিল ?

(ছ) 'বুৰঞ্জীবিবেকৰত্ন' কোনে ৰচনা কৰিছিল?

(জ) কাশীনাথ তামুলী ফুকন কোনগৰাকী ৰজাৰ ৰাজসভাসদ আছিল?

(ঝ) নাথান ব্ৰাউনৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ'খন কোন চনত প্ৰকাশ হৈছিল?

(ঞ) হলিৰাম ঢেকিয়াল ফুকনে কি ভাষাত 'অসম বুৰঞ্জী' ৰচনা কৰিছিল?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) উত্তৰ-শংকৰী কালত অসমৰ বৈষ্ণৱ সম্প্ৰদায় কি চাৰিটা সংহতিত বিভক্ত হৈছিল?

(খ) সুকুমাৰ বৰকাথৰ 'হস্তী বিদ্যাৰ্ণৱ' পুথিৰ চিত্ৰসমূহ কোন দুগৰাকী চিত্ৰকৰে আঁকিছিল?

(গ) 'অৰুণোদই'ৰ প্ৰভাৱমুক্ত দুগৰাকী লেখকৰ নাম লিখা।

(ঘ) বিশ্বেশ্বৰ বৈদ্যাধিপৰ আন এটা নাম কি আৰু তেওঁ পদ্যত ৰচনা কৰা বুৰঞ্জীখনৰ নাম লিখা।

(ঙ) 'কানীয়া-কীৰ্তন' কাৰ ৰচনা? গ্ৰন্থখন কোন চনত প্ৰকাশ হৈছিল?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) উত্তৰ-শংকৰী যুগৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(খ) আহোম যুগৰ ব্যৱহাৰিক সাহিত্য সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(গ) অসমীয়া বুৰঞ্জী সাহিত্যৰ ইতিহাস চমুকৈ বৰ্ণনা কৰা।

(ঘ) 'প্ৰাক্-অৰুণোদই' যুগত অসমীয়া ভাষাৰ স্থিতি সন্দৰ্ভত চমুকৈ লিখা।

(ঙ) অসমীয়া ভাষা-সাহিত্যলৈ 'অৰুণোদই'ৰ অৱদান বৰ্ণনা কৰা।

(চ) চমু টোকা লিখা (যি কোনো এটা) :

নিধি লিবাই ফাৰবেল ; নাথান ব্ৰাউন।

৪। (ক) উত্তৰ-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ বিকাশত আহোম ৰাজবংশৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) "উত্তৰ-শংকৰী যুগৰ সাহিত্যত ধৰ্মৰ প্ৰাধান্য ক্ৰমশঃ হ্ৰাস পাইছিল, মনোৰঞ্জন সাহিত্যৰ মূল লক্ষ্য হৈ পৰিছিল।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

৫। (ক) অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে খৰচি মাৰি আলোচনা কৰা। ১০

*অথবা*

(খ) অসমীয়া গদ্য সাহিত্যৰ বিকাশত ভট্টদেৱৰ অৰিহণা সম্বন্ধে আলোচনা কৰি এটি নিবন্ধ যুগুত কৰা।

৬। (ক) 'প্ৰাক্-অৰুণোদই' কালৰ লেখকসকলৰ সাহিত্যকৃতি সম্বন্ধে বহলাই লিখা। ১০

*অথবা*

(খ) অসমীয়া ভাষা-সাহিত্যলৈ আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলৰ অৰদান সম্পৰ্কে আলোচনা কৰা।

৭। (ক) 'অৰুণোদই' যুগৰ সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য সম্পৰ্কে বিতংকৈ বৰ্ণনা কৰা। ১০

*অথবা*

(খ) 'অৰুণোদই' যুগৰ দুগৰাকী অনা-খ্ৰীষ্টিয়ান লেখকৰ সাহিত্যকৃতি আৰু অৰদান সম্পৰ্কে আলোচনা কৰা।

★★★